Proof For Approval

# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

সোমবাৰ, ১০ মাৰ্চ, ২০২৫

গৃহ, (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰী ৰূপেশ গোৱালাক সময়ে সময়ে দায়িত্ব অৰ্পন কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয় সমূহৰ বাহিৰে) কৰ্মচাৰী, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰলোচাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱন সমূহ আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) লোক নিৰ্মাণ পথ সমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰী প্ৰশান্ত ফুকনক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন, মুখ্যমন্ত্ৰীৰ সচিবালয়, নিৰ্বাচন, বিধায়ন, ৰাজনৈতিক, ৰূপান্তৰ আৰু উন্নয়ন আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত ন্যস্ত নকৰা বিভাগ, ক্ৰীড়া আৰু যুৱ কল্যাণ, সংখ্যালঘু কল্যাণ আৰু উন্নয়ন, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয় সমূহ) শক্তি, দক্ষতা নিয়োগ আৰু উদ্যমিতা, চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয় সমূহ) পশুপালন আৰু পশুচিকিৎসা, মীন, লোক নিৰ্মাণ পথ সমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয় সমূহ) শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন, গৃহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু সামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয় সমূহ)

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয়ঃ* **বিদেশী পৰ্যটক অসমলৈ অহাত বাধা**

শ্ৰীপোনাকণ বৰুৱা ঃ

* ১৪১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম বা উত্তৰ পূৰ্বাঞ্চললৈ বিদেশী পৰ্য্যটক বা অইন কোনো লোক অহাত বাধা সৃষ্টি কৰা আইন ৰাজ্যখনত বলৱৎ হৈ আছে নেকি?

(খ) তেনে আইন সমূহ প্ৰত্যাহাৰ কৰি পৰ্যটক বা বিদেশী বিনিয়োগকাৰী অসম তথা

উত্তৰ পূৰ্বাঞ্চললৈ আগমন সুগম কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে? সবিশেষ জনাব।

*বিষয় ঃ* **জৰাজীৰ্ণ পশু চিকিৎসা কেন্দ্ৰ**

শ্ৰীশিবু মিশ্ৰ ঃ

* ১৪২। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৬৪ নং লামডিং সমষ্টিৰ অন্তৰ্গত পশু চিকিৎসালয় কেইখনমান যেনে ঃ

(i) লামডিং State Veterinary Dispensary, Pub LMG G.P

(ii) লংকা State Veterinary Dispensary

(iii) কাকী নং-১ Sub-Centre

(iv) কাকী নং-২ Sub-Centre

(v) ডেৰাপাথাৰ State Veterinary Centre (Al Centre)

(vi) নকুৰ্বি S/C (FAC) First Aid Centre

উপৰোক্ত পশু চিকিৎসালয় কেইখন অতি জৰাজীৰ্ণ অৱস্থাত পৰি থকাটো চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, তেন্তে অতি সোনকালে উক্ত চিকিৎসালয় কেইখন মেৰামতিৰ বাবে কিবা ব্যৱস্থা ল'ব নেকি? যদি লৈছে, ইতিমধ্যে কোন কোন চিকিৎসালয় লৈছে আৰু ইয়াৰ বৰ্তমান status কি? আৰু যদি লোৱা নাই, তেন্তে কেতিয়া ল'ব?

*বিষয় ঃ* **বিজনী আৰক্ষী চকীৰ আন্তঃগাঁথনি উন্নয়ন প্ৰসঙ্গত।**

শ্ৰীঅজয় কুমাৰ ৰায় ঃ

* ১৪৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিজনী বিধান সভা সমষ্টিৰ অন্তৰ্গত বিজনী আৰক্ষী চকী বহুত পুৰণি আৰক্ষী চকী। কিন্তু বিজনী আৰক্ষী চকীৰ এতিয়ালৈকে আন্তঃগাঁথনিৰ উন্নতি সাধন হোৱা নাই। গতিকে বিভাগে কিবা বিহীত ব্যৱস্থা হাতত লৈছে নে? যদি লোৱা হোৱা নাই, তেতিয়াহলে অতি শীঘ্ৰেই বিজনী আৰক্ষী চকীৰ আন্তঃগাঁথনি উন্নতিৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে? সবিশেষ জনাব।

*Subject :* **Construction of Bridge over River Brahmaputra Connecting Sontali and Bahari of Kamrup and Barpeta District.**

Smti Nandita Das :

* 144. Will the Minister of P.W.D be pleased to State :

(a) Is it true that, as published in various media, social media that the Govt. of Assam is planning to construct bridge over the river Brahmaputra connecting two districts located both side of the river Brahmaputra ?

(b) Is the Govt. of Assam aware that, the Sontali and Bahari of Kamrup and Barpeta District located

in both side of the river Brahmaputra has immense importance on commercial activity ?

(c) Is it also true that the common people, the students, the patients, the farmers, the businessmen, daily waged labourers, Govt. employees residing in the both side of the said river adjoining to Sontali and Bahari cross the river using country boat at the risk of their lives ?

(d) Is the Govt. of Assam aware that, there exists a high public demand to construct the bridge connecting the said two places ?

(e) If the above facts are true, will the Govt. do the needful to construct the bridge over river Brahmaputra connecting Sontali and Bahari of Kamrup and Barpeta District during the coming financial year ? Please state elaborately.

*বিষয় ঃ* **Article 244 (A)**

শ্ৰী ৰূপসিং তেৰণ ঃ

* ১৪৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ভাৰতৰ সংবিধানৰ 244 (A) অনুসূচীৰ অধীনত থকা ব্যৱস্থা অনুসৰি এখন স্বায়ত্ব শাসিত ৰাজ্য গঠনৰ বিষয়টোৰ সন্দৰ্ভত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? বিষয়টো বৰ্তমান কি পৰ্য্যায়ত আছে?

*Subject :* **MSDP Fund**

Shri Misbahul Islam Laskar :

* 146. Will the Minister of Welfare of Minorities & Development Department be pleased to Furnish :

(a) What amount was sanctioned from the MSDP Fund for the year 2016 till date for Cachar District ? Please furnish year wise list sanctioned to each of the constituency of Cachar district.

(b) How many schemes under MSDP fund were completed ?

(c) Give details of the half done or not yet started schemes of Borkhola LAC till date.

(d) If any scheme remains as half done or not yet started, what actions have been taken by the Govt. to complete these Schemes ?

*Subject :* **Fund under MSDP**

Shri Sirajuddin Ajmal :

* 147. Will the Minister of WELFARE OF MINORITIES & DEVELOPMENT be pleased to State :

(a) Is the Government aware that several schemes approved under MSDP from FY 2016-17 to FY 2019-20 are still pending in my LAC due to non completion of half of the work ? If so, what steps has the

Government taken/ are being taken in this regard so far ? Please provide detailed information year-wise and development block-wise.

(b) How much funds and schemes were allocated in Hojai district under MSDP from FY 2016-17 to FY 2019-20 ? Please provide detailed information year-wise and development block-wise.

(c) How many of the approved schemes have been completed and what percentage of approved funds have been allocated so far ? please provide detailed information year-wise and development block-wise.

(d) What is the reason for the long pending of approved schemes ? Please provide detailed reasons.

*বিষয় ঃ* **ৰাস্তা আৰু দলং সম্পৰ্কে**

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

* ১৪৮। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ অন্তৰ্গত গোলকগঞ্জ সমষ্টিত যোৱা ২০২১ চনৰ পৰা বৰ্তমানলৈকে কিমানটা ৰাস্তাৰ কাম আৰম্ভ কৰা হৈছে? উক্ত ৰাস্তাসমূহ কি কি আঁচনিৰ অধীনত? প্ৰতিটো ৰাস্তাৰ বাবে ধাৰ্য্যকৃত ধনৰাশি উল্লেখ কৰি তথ্য প্ৰদান কৰিব। শুভাৰম্ভ কৰা কামসমূহ কিমান শতাংশ সম্পূৰ্ণ হৈছে তাৰ তথ্য প্ৰদান কৰিব।

(খ) বৰ্তমান গোলকগঞ্জ সমষ্টিত কিমানখন কাঠৰ দলং আছে? বিতং তথ্য প্ৰদান কৰিব। লগতে কিমানখন দলং বনাব লগা আছে উল্লেখ কৰিব।

(গ) হাজিৰহাট আৰু গোদাৰঘাট দলং দুখন কেতিয়ালৈকে চৰকাৰে মঞ্জুৰী দিব? জনাব।

(ঘ) যোৱা বাজেট অধিবেশনত মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ দৰে এই বাজেট অধিবেশনত কাঠালতালি তামাৰহাট (শিমলাবাৰী-কুমাৰগঞ্জ) ঠাই ডোখৰত গংগাধৰ নৈৰ ওপৰত তৃতীয়খন দলং মঞ্জুৰী দিব বুলি ঘোষণা কৰিছিল। এইবাৰৰ বাজেটত উক্ত দলংখন মঞ্জুৰী দিয়া হ'ল নে? আৰু যদি মঞ্জুৰী দিয়া হৈছে কিমান টকা মঞ্জুৰী দিয়া হ'ল? বিতং তথ্য সদনত দাখিল কৰিব।

*বিষয় ঃ* **তিতাবৰত এখন কাৰাগাৰ নিৰ্মাণৰ বিষয়ে।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

* ১৪৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

তিতাবৰত এখন কাৰাগাৰ বনাবৰ বাবে মাটি আৱণ্টিত হৈ আছে। এই বিষয়ে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, তেন্তে এখন কাৰাগাৰ নিৰ্মাণ কৰিলে আচামী অনা-নিয়া কৰাৰ সমস্যাৰ লগতে যোৰহাট কাৰাগাৰত ভিৰ কমিব, গতিকে চৰকাৰে তিতাবৰত এখন কাৰাগাৰ নিৰ্মাণৰ অনুমোদন দিবনে?

*বিষয় ঃ* **রাজ্যের অধিকাংশ আধার বঞ্চিত নাগরিক সম্পর্কিত।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

* ১৫০। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাইবেন কি ঃ

(ক) সম্প্রতি মাননীয় মুখ্যমন্ত্রীর উদ্যোগে রাজ্যের অধিকাংশ আধার বঞ্চিত নাগরিকরা নিজেদের আধার নম্বৰ পেয়ে গিয়েছেন। যে যৎসামান্য কিছু সংখ্যক আসামের নাগরিক এখনও আধার পাননি তাদের আধার কার্ড পাইয়ে দেওয়ার কোনও সরকারি উদ্যোগ রাজ্য সরকার নিচ্ছে কি?

(খ) ২০২১ সালের পর বিগত চার বছরে বাংলাদেশ থেকে আসামে অবৈধ বিদেশি প্রবেশ করার তথ্য সরকারের নিকট আছে কি? যদি থাকে তবে ২০২১ সালের পর থেকে প্রতি বছর আগত সেই অবৈধ বিদেশিদের নাম, বর্তমান ঠিকানা সহ বিস্তারিত তথ্য সদনে পরিবেশন করার অনুরোধ জানাই।

(গ) সিএএ চালু হওয়ার পর থেকে আসামে বাস করা কতজন এই আইনের অধীনে নাগরিকত্ব প্রাপ্তির জন্য আবেদন করেছেন? আবেদনকারীদের নাম, বর্তমান ঠিকানা, আবেদনের তারিখ সহ অন্যান্য তথ্য সদনে পরিবেশনের অনুরোধ জানাই।

(ঘ) এই আবেদনকারীদের মধ্যে কতজন এবং কাদেরকে এখন পর্যন্ত নাগরিকত্ব প্রদান করা হয়েছে, কাদের আবেদন বিচারাধীন এবং কাদের আবেদন নাকচ করা হয়েছে?

(ঙ) ২০১৯ সাল থেকে ভাষা গৌরব প্রকল্পের অধীনে কোন কোন সংগঠনের জন্য কত কত অর্থরাশি কর্পাস ফান্ড হিসেবে মঞ্জুর হয়েছে? বিস্তারিত প্রতিবেদন সদনে পরিবেশন করার অনুরোধ জানাই।

*বিষয় ঃ* **সংখ্যালঘু ছাত্র-ছাত্রীৰ বৃত্তি**

ডাঃ আচিফ মঃ নাজাৰ ঃ

* ১৫১। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সংখ্যালঘু ছাত্র বৃত্তিৰ নামত সংঘটিত হোৱা কেলেংকাৰী সন্দৰ্ভত বিগত চৰকাৰৰ দিনত সংখ্যালঘু উন্নয়ন বোৰ্ডৰ তৰফৰ পৰা কোনো অভিযোগ বা গোচৰ দিয়া হৈছিল নেকি? সেই গোচৰৰ তদন্ত কি হ'ল সেই সন্দৰ্ভত বিভাগ অৱগত নে? যদি অৱগত, কিমান টকাৰ কেলেংকাৰী সংঘটিত আৰু কোন কোন জড়িত থকাৰ অভিযোগ উঠিছিল তথ্য প্রদান কৰিব।

(খ) বৰ্তমান অসমৰ সংখ্যালঘু ছাত্র-ছাত্রীক কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অধীনত কি কি ছাত্র বৃত্তি প্রদান কৰাৰ আঁচনি আছে? ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা কোন আঁচনিৰ অধীনত কিমান ছাত্র-ছাত্রীক বৃত্তি প্রদান কৰা হৈছে?

*বিষয় ঃ* **Upgradation of Police Post**

শ্রীওয়াজেদ আলি চৌধুৰী ঃ

* ১৫২। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ধুবুৰী জিলাৰ বীৰসিং জৰুৱা বিধান সভা সমষ্টিৰ অন্তৰ্গত বন্দিহানা আৰক্ষী চকী ফকিৰগঞ্জ থানাৰ অন্তৰ্গত বন্দিহানা আৰক্ষী চকী আৰু ফকিৰগঞ্জ থানাৰ মাজত বিশাল ব্ৰহ্মপুত্ৰ নদী অৱস্থিত আৰু বন্দিহানা আৰক্ষী চকীখন সম্পূৰ্ণ চৰ অঞ্চলত অৱস্থিত হোৱাৰ ফলত যোগাযোগৰ সু-ব্যৱস্থা নাই। গতিকে উক্ত আৰক্ষী চকীখন পূৰ্ণ পৰ্য্যায়ৰ থানালৈ উন্নীত কৰাৰ ব্যৱস্থা কৰিব নে?

*বিষয়ঃ* **গুৱাহাটীত নিৰ্মীয়মান উৰণীয়া সেতু জনজাতীয় নেতাৰ নামত নামাকৰণ।**

শ্ৰী বিদ্যা সিং ইংলেং ঃ

* ১৫৩। মাননীয় লোক নিৰ্মাণ পথ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

প্ৰাক-স্বাধীনতা দিনৰ তাহানিৰ অবিভক্ত অসমৰ অন্যতম জনজাতীয় নেতাসকলৰ ভিতৰত প্ৰয়াত Kharsing Terang ডাঙৰীয়াৰ স্মৃতি সংৰক্ষণ কৰি জনমানসত তেওঁৰ মহান স্মৃতি জীয়াই ৰখাৰ স্বাৰ্থত অসমৰ গুৱাহাটী মহানগৰীত নিৰ্মাণ হৈ থকা এখন উৰণ সেতু (Fly Over) তেখেতৰ নামেৰে নামাকৰণ কৰিলে পাহাৰ আৰু ভৈয়ামৰ ৰাইজৰ মাজত এটা সমন্বয়ৰ বাৰ্তা প্ৰদান কৰিব। বিভাগে এই ক্ষেত্ৰত উচিত ব্যৱস্থা ল'ব নেকি?

*বিষয়ঃ* **সাংসদ ৰকিবুল হুছেইনৰ ওপৰত দুৰ্বৃত্তৰ আক্ৰমণ।**

শ্ৰী অখিল গগৈ ঃ

* ১৫৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে ধুবুৰী লোকসভা সমষ্টিৰ মাননীয় সাংসদ ৰকিবুল হুছেইন ডাঙৰীয়া আৰু তেওঁৰ দেহৰক্ষীক চামগুৰি বিধানসভা সমষ্টিত যি আক্ৰমণ সংঘটিত হৈছিল, তাৰ অভিযুক্ত আটাইকে গ্ৰেপ্তাৰ কৰা হ'লনে?

(খ) সাংসদ আৰু অসম বিধানসভাৰ ৭ জন বিৰোধী বিধায়কক সেই একেঠাইতে চামগুৰি বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ সময়ত আক্ৰমণ কৰা হৈছিল নেকি? সেই আক্ৰমণৰ অপৰাধীসকলক গ্ৰেপ্তাৰ কৰা হ'লনে?

(গ) একে কেইজন ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আৰু আৰক্ষী অধীক্ষকৰ দিনতে বাৰম্বাৰ জনপ্ৰতিনিধিৰ ওপৰত আক্ৰমণৰ ঘটনাৰ পাছত সংশ্লিষ্ট অ'চি আৰু এছ পিৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে?

(ঘ) ভৱিষ্যতে অসমত এনে ৰাজনৈতিক হিংসা বন্ধ কৰিবলৈ গৃহ বিভাগে কি কি ব্যৱস্থা লৈছে?

*বিষয়ঃ* **ক্ষুদ্ৰ গাহৰি পালক**

শ্ৰী মৃণাল শইকীয়া ঃ

* ১৫৫। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ গাঁও সমূহত বহু লোকে এটা দুটা গাহৰি পালন কৰি জীৱিকা ধাৰণ কৰা ক্ষুদ্ৰ গাহৰি পালক সকলৰ জৰীপৰ ব্যৱস্থা চৰকাৰে হাতত ল'ব নেকি?

(খ) এই গাহৰি পালক সকলক উৎসাহিত কৰিবলৈ Fodder Card দিয়াৰ ব্যৱস্থা কৰি Subsidised মূল্যত খাদ্য যোগান ধৰিব নেকি? জনাব।

*বিষয়ঃ* **আঁচনি সম্পৰ্কে**

শ্ৰী ছামছুল হুদা ঃ

* ১৫৬। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৭ নং পূৱ বিলাসীপাৰা সমষ্টিত এই বিভাগে কি কি আঁচনি ৰূপায়ণ কৰিছিল? কিমান টকাৰ অনুমোদন দিয়া হৈছিল আৰু কিমান টকা খৰচ কৰা হ'ল? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫, ২৭ নং পূৰ বিলাসীপাৰা সমষ্টিৰ কিমানজন নিবনুৱাই Electric Rickshaw, Motor Rickshaw, চিলাই মেচিন ইত্যাদি সুবিধা লাভ কৰিছিল? হিতাধিকাৰীৰ নাম, ঠিকনা সহ তালিকা সদনৰ মজিয়াত দাখিল কৰিব।

(গ) যোৱা ৩টা বিত্তীয় বৰ্ষত এই বিভাগৰ পৰা কিমানজন ছাত্ৰ-ছাত্ৰীয়ে Scholarship লাভ কৰিলে? তালিকা দিব।

*বিষয়ঃ* **নিয়োগ আৰু নিবনুৱাৰ নিযুক্তি**

শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ

* ১৫৭। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ নিবনুৱাৰ সংখ্যা কিমান?

(খ) ২০১৬ চনৰ পৰা বৰ্তমানলৈ চৰকাৰী বিভাগসমূহত কিমান নিবনুৱাক নিযুক্তি দিয়া হ'ল? বিতংভাৱে জনাব।

(গ) নিবনুৱাক চৰকাৰী ভাট্টা দিয়াৰ নিয়ম আছে নেকি? যদি আছে, ২০১৬ চনৰ পৰা এতিয়ালৈ কিমান নিবনুৱাক এই ভাট্টা দিয়া হ'ল, তাৰ বিতং তথ্য বৰ্ষভিত্তিক জনাব।

(ঘ) অসমত ব্যক্তিগত খণ্ডত ২০১৬ চনৰ পৰা এতিয়ালৈ কিমান নিবনুৱাই নিযুক্তি পাইছে, ক'ত ক'ত এই নিযুক্তি পাইছে, বিতংভাৱে জনাব।

(ঙ) ব্যক্তিগত খণ্ডত নিয়োগৰ পৰিমাণ বঢ়াবলৈ অসম চৰকাৰে নতুন নীতি লৈছে নেকি? যদি লৈছে, এই নীতিৰ বিষয়ে বিতংকৈ জনাব। এই নীতিৰ অধীনত কোন কেইটা ব্যক্তিগত খণ্ডৰ উদ্যোগ অথবা কোম্পানীয়ে থলুৱা নিবনুৱাক নিযুক্তিৰ ব্যৱস্থা কৰিছে? বিতংভাৱে জনাব।

*Subject :* **Law and Order Situation**

Shri Aminul Islam (Senior) :

* 158. Will the Minister of Home Department be pleased to Furnish :

(a) How many cases of murders, rape, molestation, robbery, kidnapping took place in the state of Assam since 01.03.2024 to 28.02.2025 in one year ? (Furnish P.S. wise data separately)

(b) What is the medical report of Dhing molestation case, which caused hue and cry in the entire state?

(c) Is the Government aware that Rockybul Hussain, Hon'ble M.P. was attacked on 20.02.2025 in Rupahihat? Had the Govt. identified the culprits from video footage ? How many culprits have been arrested so far ?

(d) What action has taken by the Govt. against the mob lynching took place in Dhing where a person namely Arif Ali was killed ?

*বিষয়ঃ* **ষ্টেডিয়াম নিৰ্মাণ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

* ১৫৯। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান গ্ৰাম্য ষ্টেডিয়াম

আছে? গ্ৰাম্য অঞ্চলত নতুনকৈ ষ্টেডিয়াম নিৰ্মাণ কৰাৰ কিবা পৰিকল্পনা আছে নেকি?

(খ) পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টি এতিয়াৰ পাকাবেটবাৰী সমষ্টিৰ অন্তৰ্গত বৰবালাত নতুনকৈ ষ্টেডিয়াম নিৰ্মাণৰ  দাবী সম্পৰ্কে বিভাগ অৱগত নে? যদি অৱগত, ষ্টেডিয়াম নিৰ্মাণৰ অগ্ৰগতি কেনেকুৱা আৰু কেতিয়ালৈ নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'ব? (বিতংকৈ জনাব)।

(গ) অসমত কিমান ক্লাব, ক্ৰীড়া সংগঠন আছে? সমষ্টি ভিত্তিত তালিকা দিব।

(ঘ) অসমত কিমান ক্ৰীড়া সন্থা আছে? জিলা ভিত্তিত তথ্য দিব।

(ঙ) সম উপ-জিলা পৰ্য্যায়ত বিভাগে ক্ৰীড়া সন্থা গঠন কৰাৰ নিৰ্দেশ দিব নেকি? যদি দিয়ে, কেতিয়াকৈ দিব? বিতং তথ্য দিব।

*বিষয়ঃ* **দলং নিৰ্মাণ**

শ্ৰীবলিন চেতিয়া ঃ

* ১৬০। মাননীয় লোক নিৰ্মাণ পথ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

দিবাং নদীৰ ওপৰেদি চপাখোৱা আৰু অমৰপুৰ সংযোগী দলং নিৰ্মাণৰ বাবে বিভাগে কিবা ব্যৱস্থা হাতত লৈছে নেকি? এই বিষয়ে বিতংভাবে জনাব।

---

A.G.P. (Mini) LAQ - 21 /2025-550-05-03-2025